**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সমগ্ৰ বিশ্বই ভাৰতবৰ্ষৰ যুৱ শক্তিৰ সামৰ্থ্যৰ প্ৰতি আকৰ্ষিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত লয়।

৩। অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ লগতে ঝাৰখণ্ডৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব।

আৰু

৪। বিহাৰৰ ৰাজগিৰিত আজিৰেপৰা ২০২৪ বৰ্ষৰ মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্ৰফী আৰম্ভ হ'ব।

0000000

সমগ্ৰ বিশ্বই ভাৰতবৰ্ষৰ যুৱ শক্তিৰ সামৰ্থ্যৰ প্ৰতি আকৰ্ষিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। তেওঁ কয় যে বিশ্বৰ বহুসংখ্যক নেতাই আজি নিজৰ দেশত কাম কৰাৰ বাবে দক্ষ মানৱ সম্পদ, ভাৰতৰ যুৱক-যুৱতীসকলক বিচাৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে আজি পুৱা গুজৰাটৰ ৱাডটলত শ্ৰীস্বামীনাৰায়ণ মন্দিৰৰ ২০০ বছৰীয়া জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

-ভইচ-

তেওঁ কয় যে আমাৰ যুৱক-যুৱতীসকলৰ চাহিদা বিশ্বজুৰি আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। যুৱচামে এখন বিকশিত ভাৰতৰ বাবে নিজকে শক্তিশালী কৰি তুলিব লাগিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে দক্ষ যুৱক-যুৱতীসকলেই দেশৰ সৰ্ববৃহৎ শক্তি হৈ উঠিব। চৰকাৰে এই উপলক্ষে ২০০ টকা মূল্যৰ এটা ৰূপৰ মুদ্ৰাৰ লগতে এটা স্মাৰক ডাক টিকট জাৰি কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে দেশৰ জনসাধাৰণক বিকশিত ভাৰতৰ দৃষ্টিভংগীক আঁকোৱালি লোৱাৰ লগতে অহা ২৫ বছৰৰ ভিতৰত ইয়াক অৰ্জন কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অৱদান আগবঢ়াবলৈ আহ্বান জনায়। দক্ষ কৰ্মীৰ এটা প্ৰজন্ম গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে লোৱা বাস্তৱিক প্ৰচেষ্টাৰ বিষয়েও তেওঁ আলোকপাত কৰে।

উল্লেখযোগ্য যে ২০০ বছৰৰ পূৰ্বে প্ৰভু স্বামী নাৰায়ণে স্থাপন কৰা ৱাডটল ধামে দশকজুৰি জনসাধাৰণৰ সামাজিক তথা আধ্যাত্মিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

000000

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি ভাৰতৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। নতুন মুখ্য ন্যায়াধীশগৰাকীয়ে অহা বছৰ মে'ৰ মাজভাগলৈকে ভাৰতৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। উল্লেখযোগ্য যে শ্ৰী খান্না ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হৈছে। ১৯৬০ চনৰ ১৪ মে'ত জন্মগ্ৰহণ কৰা ন্যায়াধীশ সঞ্জীৱ খান্নাই ১৯৮৩ চনত দিল্লী বাৰ কাউন্সিলত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁক ২০০৫ চনত দিল্লী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ

হিচাপে দায়িত্ব প্ৰদান কৰা হৈছিল। ২০১৯ চনত ন্যায়াধীশ খান্নাই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰাৰ ক্ষেত্ৰত ন্যায়াধীশ সঞ্জীৱ খান্নাই ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। মাজত মাত্ৰ কেইটামান ঘণ্টা বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

আন সমষ্টিকেইটাৰ দৰে বিহালী সমষ্টিতো উপ-নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত বিধানসভা সমষ্টিটোৰ শেহতীয়া তথ্যৰ বাবে সংযুক্ত হৈছো আমাৰ শোণিতপুৰৰ সংবাদদাতা ৰজত ভৰদ্বাজৰ সৈতে -

-বাইট-

এই উপ-নিৰ্বাচনত ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এন ডি এ, কংগ্ৰেছ আৰু বিপিএফৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত ভোটদাতাক আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী আৰু চিদলী আসনখনৰ বাবে ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। এন ডি এ মিত্ৰজোঁটৰ ভিতৰত বিজেপিয়ে ৩ খন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু ইউ পি পি এলে আন দুখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

০০০০০০

ঝাৰখণ্ডত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰিব। পৰহিলৈ ৰাজ্যখনৰ ৪৩টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে এন ডি এ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে দলীয় প্ৰাৰ্থীৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেনৰ সমৰ্থনত চৰাইকেলা বিধানসভা সমষ্টিৰ অন্তৰ্গত আদিত্যপুৰৰ এখন সভাত ভাগ ল'ব। আনহাতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পান্কী আৰু চত্তৰপুৰ বিধানসভা সমষ্টিত দুখন নিৰ্বাচনী সভাত ভাগ ল'ব। জে এম এমৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে হুছেইনাবাদ, চৰাইকেলা, ইচ্ছাগড় আৰু চিল্লী বিধানসভা সমষ্টিত নিৰ্বাচনী সভাক সম্বোধন কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী য়োগী আদিত্যনাথে ভৱন-নাথপুৰ, পালামু, হুছেইনাবাদা, দালটংগঞ্জ আৰু পান্কীত কেইবাখনো সভাত ভাগ ল'ব। তাৰকা প্ৰচাৰক অভিনেতা মিথুন চক্ৰৱৰ্তীয়ে বিজেপি প্ৰাৰ্থী বাবুলাল চোৰেনৰ হৈ ঘাটশিলা বিধানসভা সমষ্টিৰ মাও ভাণ্ডাৰ অঞ্চলৰ চাৰ্কাছ ময়দানত হ'বলগীয়া এখন সভাত অংশগ্ৰহণ কৰিব। আৰ জে ডি, এ জে এছ ইউ আৰু আন ৰাজনৈতিক দলসমূহেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অঞ্চলত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **বায়ু প্ৰদূষণ, প্ৰভাৱ তথা প্ৰতিৰোধ** এই সন্দৰ্ভত ছফডৰজং চিকিৎসালয়ৰ শ্বাস-প্ৰশ্বাসজনিত ঔষধ বিভাগৰ অধ্যাপক নীৰজ গুপ্তা আৰু জ্যেষ্ঠ পৰিৱেশবিদ মুকুল ছানৱালৰ সৈতে হোৱা এটা বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১-২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিদ্বয়ক বায়ু প্ৰদূষণ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেষ্টেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০

কাইলৈ ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস উপলক্ষে আজি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ চৌহদত থকা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী কেন্দ্ৰসমূহে প্ৰচাৰ কৰা অনুষ্ঠানসমূহৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি বঁটা প্ৰদান কৰা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰথম স্থান লাভ কৰাৰ লগতে আকাশবাণী ইম্ফলে দ্বিতীয় আৰু পাছিঘাটে তৃতীয় স্থান অৰ্জন কৰে। আকাশবাণী কেন্দ্ৰসমূহৰ অনুষ্ঠান কাৰ্যবাহী আৰু অন্যান্য বিষয়াসকলক তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবেও বঁটা প্ৰদান কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰসমূহৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰে বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক অসীম কুমাৰ কাজিৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০০

পশ্চিমবংগৰ কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত এগৰাকী কনিষ্ঠ মহিলা চিকিৎসকৰ পাশৱিক ধৰ্ষণ আৰু হত্যাৰ গোচৰ আজি এখন বিশেষ আদালতত আৰম্ভ হ'ব। ফাষ্টট্ৰেক আদালতত দৈনিক এই বিচাৰ প্ৰক্ৰিয়াৰ অগ্ৰগতি হ'ব। উল্লেখযোগ্য যে যোৱা ৯ আগষ্টৰ পুৱা চিকিৎসালয়খনত চিকিৎসকগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ৯৪ দিনৰ পাছত এই বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বিচাৰ আৰম্ভ হোৱাৰ ৩৫ দিনৰ পূৰ্বে কেন্দ্ৰীয় অনুসন্ধান সংস্থা চি বি আইয়ে প্ৰথমখন

অভিযোগনামা দাখিল কৰে। এই অভিযোগনামাত সঞ্জয় ৰয়ক হত্যা আৰু ধৰ্ষণৰ অভিযুক্ত হিচাপে চিনাক্ত কৰা হৈছে।

০০০০০০০

বিহাৰৰ ৰাজগিৰিত আজিৰেপৰা ২০২৪ বৰ্ষৰ মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্ৰফী আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ১০ দিনীয়া এই প্ৰতিযোগিতা মুকলি কৰিব। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত বিহাৰ ক্ৰীড়া প্ৰাধিকৰণৰ সঞ্চালকপ্ৰধান ৰবীনন্দ্ৰন শংকৰণে কয় যে, বিহাৰত এইবাৰ প্ৰথমবাৰৰ বাবে এনেধৰণৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰখনে বিহাৰক দেশৰ পূব অংশৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। এই প্ৰতিযোগিতাত ভাৰতৰ বাহিৰেও চীন, জাপান, মালয়েছিয়া, কোৰিয়া আৰু থাইলেণ্ডৰ হকী দলে ভাগ লৈছে। অহা ২০ নৱেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০

সমাপ্ত